# Pre-Annual Examination - 2024

## H.S. 1st year

## Sub: Assamese

**Full Marks : 100** **Time : 3 hrs**

*(The figures in the margin indicate full marks for the questions)*

১। তলৰ যিকোনো আঠটা প্ৰশ্নৰ উত্তৰ লিখা ঃ ১×৮=৮

(ক) 'ধনৰ ব্যৱহাৰ' শীৰ্ষক পাঠটি সত্যনাথ বৰাৰ কোনখন গ্ৰন্থৰ পৰা লোৱা হৈছে?

(খ) পদ্মনাথ গোহাঞি বৰুৱাৰ আত্মজীৱনীখনৰ নাম কি?

(গ) 'আগৰৱালা পকী' ক'ত অৱস্থিত?

(ঘ) 'ডিভাইন কমেডি' কাৰ ৰচনা?

(ঙ) মৈথিলী আৰু বঙালীয়ে কোনগৰাকী পণ্ডিতক লৈ 'টনাটনি' কৰে?

(চ) ছপাখানা আৰু কাগজ আৱিষ্কাৰ কোন দেশৰ আৱিষ্কাৰ?

(ছ) হোমেন বৰগোহাঞিৰ এখন উপন্যাসৰ নাম লিখা।

(জ) এডৱাৰ্ড গিবনে অধ্যয়ন কৰা কলেজখনৰ নাম লিখা।

(ঝ) কে'ম্ব্ৰিজ বিশ্ববিদ্যালয় কোনখন নদীৰ উপত্যকাত অৱস্থিত?

(ঞ) 'বিহু আকৌ আহিল' গ্ৰন্থখন কোনে ৰচনা কৰিছিল?

২। তলৰ যিকোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখা ঃ ২×৫=১০

(ক) কৃপণ আৰু ধোঁৱাখুলীয়াৰ মাজত থকা পাৰ্থক্য দুটা লিখা।

(খ) 'অসমত মহাত্মা গান্ধীৰ পোন প্ৰথম পদাৰ্পণ' শীৰ্ষক পাঠটিত উল্লেখ থকা দুগৰাকী স্বাধীনতা যোদ্ধাৰ নাম লিখা।

- *সিপিঠিত*

(গ) সৌভাগ্যৰ পৰা গৌৰৱ কেনেকৈ ওপজে?

(ঘ) দাৰ্শনিক ৰুছোৱে ৰচনা কৰা দুখন গ্ৰন্থৰ নাম লিখা।

(ঙ) টমাছ আকুৱাইনাছ আৰু পিয়েৰ আবে'লাৰ কোন আছিল?

(চ) ইণ্ডিজেনাছ গেম্‌ছ কোনে, ক'ত, কেতিয়া অনুষ্ঠিত কৰিছিল?

৩। তলৰ যিকোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা ঃ 8×8=১৬

(ক) "আয় অনুসৰি খৰচ কৰাই অৰ্থ ব্যৱহাৰৰ মূল মন্ত্ৰ"— পাঠৰ আধাৰত ব্যাখ্যা কৰা।

(খ) গান্ধীজীৰ অসম ভ্ৰমণৰ সময়ত ক'ত কোনে মজলিচ বৈঠকৰ আয়োজন কৰিছিল, বুজাই লিখা।

(গ) 'ধনেই ধৰ্মৰ মূল, ধন নহ'লে যায় জাতি কুল"— কথাষাৰ বুজাই লিখা।

(ঘ) পুৰণি কালত বিহুৰ সময়ত কেনে ধৰণৰ খেল অনুষ্ঠিত হৈছিল?

(ঙ) এভাৰেষ্ট অভিযানৰ সংশয়ৰ দিন এটিত লেখকৰ মনত হাঁহিৰ খোৰাক জন্মোৱা ঘটনাটো কি আছিল?

৪। তলৰ যিকোনো এটাৰ বিষয়ে চমুকৈ লিখা ঃ ৬

(ক) মানুহৰ গৌৰৱৰ কাৰণ আৰু উৎপত্তি

(খ) অসমৰ প্ৰথমটো ক্ৰীড়া পেভিলিয়ন

৫। তলৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা ঃ ২

(ক) "তেৱেঁই আগবাঢ়ি আহিল আৰু মোৰ মুখলৈ চাই সুধিলে, "আমাৰ তাৰে নোহোৱানে?"— কোনে কাক কথাষাৰ সুধিছিল?

(খ) কনকেশ্বৰ ঠাকুৰে তেওঁৰ কন্যা বিনীতাৰ অপাৰেচন কৰাবলৈ ক'ৰপৰা পইচা পালে?



৬। "বিয়াৰ প্ৰেজেন্ট" শীৰ্ষক গল্পটোত থকা অসুখ হোৱা ছোৱালীজনীৰ নাম কি? ১

৭। তলৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা ঃ ৪

(ক) কি পৰিস্থিতিৰ বাবে নাজিয়াই বিয়ালৈ বুলি ওলাই বিয়ালৈ নগ'ল?

(খ) "বিয়াৰ প্ৰেজেন্ট" গল্পটোত মানৱতাবোধৰ প্ৰকাশ কিদৰে ঘটিছে আলোচনা কৰা।

৮। তলৰ যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা ঃ ১×৩=৩

(ক) 'অপ্ৰমাদী' শব্দৰ অৰ্থ কি?

(খ) শংকৰদেৱৰ প্ৰথম বৰগীত কোনটো?

(গ) 'বাঁহী' আলোচনীখন কোনে সম্পাদনা কৰিছিল?

(ঘ) দেৱকান্ত বৰুৱাৰ একমাত্ৰ কাব্যপুথিখনৰ নাম কি?

৯। তলৰ যিকোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা ঃ ২×৪=৮

(ক) বিভীষণৰ দুটা চাৰিত্ৰিক বৈশিষ্ট্য লিখা।

(খ) 'হে অসমৰ ত্যাগৰ মূৰ্তি! মাতুল - ঘাতক - নবী'— ইয়াত কাক কিয় মাতুল ঘাতক নবী বুলি কৈছে?

(গ) চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতা পুথি দুখনৰ নাম লিখা।

(ঘ) মালিতা কি? ইংৰাজীত ইয়াক কি বুলি কোৱা হয়?

(ঙ) 'ৰাজপথ' নামৰ কবিতাটিত কবিয়ে আধুনিক যুগৰ কোনখিনি সময়ৰ চিত্ৰ অংকণ কৰিছে?

- *সিপিঠিত*

১০। প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰা ঃ (যিকোনো দুচোৰা) ৪×২=৮

(ক) ফুটুকাৰ তলতে যখিনী ছোৱালী
টুক্‌টুক্ চাপৰি বায়,
ধনাইৰে ছাঁতে ৰতনী নাই ঐ
কোনে তাৰ মুখলৈ চায়।

(খ) অথিৰ বায়ুৰ শিঁয়ৰিল নোম
উছলাইছে গৈ জান,
কাৰণ নেদেখা আনন্দৰ ঢৌৱে
বুৰালে প্ৰাণীৰ প্ৰাণ।

(গ) এইখন এখন মহাকাব্য, পৰ্বতৰ মৌন ভাষাই লেখি যোৱা তেজৰ বুৰঞ্জী।

১১। তলৰ যিকোনো এটা কবিতাৰ মূলভাব লিখা ঃ ৬

(ক) ধনবৰ আৰু ৰতনী

(খ) বনকুঁৱৰী

(গ) এখন চিঠি

১২। চমু উত্তৰ লিখা ঃ (যিকোনো চাৰিটা) ১×৪=৪

(ক) কণপাহি কোন?

(খ) কুশল কোঁৱৰৰ পিতৃ আৰু মাতৃৰ নাম কি?

(গ) "গোম সাপৰ বংশ"— এই উক্তিৰ দ্বাৰা কাক নিৰ্দেশ কৰা হৈছে?

(ঘ) 'কুশল কোঁৱৰ' নাটকৰ ২ নং দৰ্শনত কোন চনৰ কথা বৰ্ণিত হৈছে?

(ঙ) কুশল কোঁৱৰে কোন চনত বাগিচাৰ চাকৰিত ইস্তফা দি ঘৰলৈ উলটিছিল?



১৩। উত্তৰ লিখা ঃ (যিকোনো দুটা) ৪×২=৮

(ক) সৰু পথাৰৰ ৰে'ল দুৰ্ঘটনাৰ বিষয়ে এটি টোকা লিখা।

(খ) কুশল কোঁৱৰে স্কুল এৰাত দেউতাকৰ কিয় খং উঠিছিল?

(গ) 'কুশল কোঁৱৰ' নাটকৰ ৰচয়িতাগৰাকীৰ চমু পৰিচয় আগবঢ়োৱা।

১৪। চমুটোকা লিখা ঃ ৬

(ক) 'কুশল কোঁৱৰ' নাটকৰ নাৰী চৰিত্ৰ

(খ) স্বাধীনতা সংগ্ৰামী বৈকুণ্ঠ বিহাৰী সিং আৰু শংকৰ বৰুৱা

১৫। ভাব সম্প্ৰসাৰণ কৰা ঃ (যিকোনো এটা) ৪

(ক) কথাত কটা যায়, কথাত বঁটা পায়।

(খ) যত্ন কৰিলে ৰত্ন পায়।

১৬। তলৰ যিকোনো দুছোৰা সমোচ্চাৰিত শব্দৰ অৰ্থৰ পাৰ্থক্য বিচাৰ কৰা ঃ
কঠা, কথা ; গুলি, গুলী ; হাড়, হাৰ ; শুঁৰ, সুৰ ; ধুতি, ধূতী ১×২=২

১৭। চমু উত্তৰ লিখা ঃ ১×২=২

(ক) অসমীয়া তদ্ভৱ শব্দত ব্যৱহৃত চন্দ্ৰবিন্দু প্ৰকৃততে সংস্কৃত শব্দত থকা কোনকেইটা নাসিক্য ধ্বনিৰ পৰিৱৰ্তিত ৰূপ?

(খ) অসমীয়া ভাষাত অ' স্বৰ বুজাবলৈ পৃথক আখৰ নাই। কথাষাৰ শুদ্ধ নে অশুদ্ধ।

১৮। অসমীয়া ভাষাত ৱ নাইবা য়-ৰ ব্যৱহাৰ সম্পৰ্কে চমুকৈ লিখা। ২

* * *